# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 11-03-2026 **Time :**1100 Hrs.

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ৩৭টা সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই জুবিন ক্ষেত্ৰৰ ১০ বিঘা ভূমি শিল্পীগৰাকীৰ সমাধি ক্ষেত্ৰ নিৰ্মাণৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগক আৱণ্টন দিছে। মিছিং উৎসৱ আলি-আয়ে-লৃগাঙৰ দিনটো ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাটো মন্ত্ৰীসভাই অনুমোদন জনাইছে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেলত প্ৰকাশ কৰা মতে মিছন বসুন্ধৰাৰ অধীনত বসুন্ধৰা প'ৰ্টেল, সেৱা সেতু প'ৰ্টেল আৰু মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ৰ পৰ্যালোচনাৰ আবেদনসমূহ অন্তৰ্ভুক্ত কৰি ৰাজ্যৰ ছখন জিলাৰ এহেজাৰ ৪০টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক বাসস্থানৰ উদ্দেশ্যে চৰকাৰী খাছ আৰু চিলিং ছাৰপ্লাজ ভূমি নিষ্পত্তিত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়।

(বাইট)

ৰাজ্যৰ ৭ খন বিশ্ববিদ্যালয় ক্ৰমে কোকৰাঝাৰ বিশ্ববিদ্যালয়, নগাঁও বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, উত্তৰ-লখিমপুৰ বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, শিৱসাগৰ বিশ্ববিদ্যালয় আৰু বঙাইগাঁও বিশ্ববিদ্যালয়ৰ সংবিধি, অধ্যাদেশ আৰু নিয়ন্ত্ৰণ বিধিত মন্ত্ৰীসভাই অনুমোদন জনায়। গুৱাহাটীৰ বিভিন্ন পাহাৰত বাস কৰা আৰু তিনি প্ৰজন্মৰ তথ্য দাখিল কৰা ৮১৬ জন আবেদনকাৰীক ভূমিপট্টা প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন দিছে।

oooooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত দ্বিতীয় কিস্তিৰ ধনৰাশি বিতৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ধনৰাশি বিতৰণ অনুষ্ঠানত অংশ লৈছে । ইয়াৰ জৰিয়তে ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতী উপকৃত হ'ব। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সৌজন্যত আয়োজিত এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী বিমল বৰাইও অংশ ল'ব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে কাৰ্বি আংলঙলৈ যাব। কাৰ্বি আংলঙৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আন্তঃগাঁথনি উন্নয়নৰ দিশত নতুন দিশৰ সূচনা কৰি দুহেজাৰ ১০৯ কোটি টকা ব্যয়সাপেক্ষ শতাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ৮১৬ কোটি টকা ব্যয়সাপেক্ষ ৫৪ টা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ দিনৰ ১ বজাত তাৰালাংছ'ৰ ৰংছিনা ছাৰপ' আহংজাইত আয়োজিত অনুষ্ঠানত এই প্ৰকল্পসমূহ মুকলি কৰিব। তেওঁ ডিফু কৰ্কট চিকিৎসা কেন্দ্ৰ, চাৰিলেনযুক্ত খৰছিং টেৰাং ইংজাৰকাপ উৰণসেঁতু আৰু চাৰিটা পথ উন্নীতকৰণ প্ৰকল্প মুকলি কৰিব। তদুপৰি পশ্চিম কাৰ্বি আংলঙত চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফুৰ টাউন লেক আৰু জলক্ৰীড়া ক্ষেত্ৰও মুখ্যমন্ত্ৰীয়ে মুকলি কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই

৩৬৫ কোটি টকা ব্যয়েৰে জিলাখনৰ লংৰকুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুল, ৪২ মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প, কেইবাটাও পথ উন্নীতকৰণ প্ৰকল্প, হোটেল আৰু পৰ্যটন ব্যৱস্থাপনা প্ৰতিষ্ঠান আৰু কেইবাখনো দলঙৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে বৰুৱা চাৰিআলিত বিয়লি ৫ বজাত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আদি বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীয়েও অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ১৫৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা স্বৰাজ উদ্যান, ২৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক কেন্দ্ৰ, ১৯ কোটি টকা প্ৰকল্প ব্যয়ৰ যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম, ২০০ খন বিছনাযুক্ত ছাত্ৰাৱাস আৰু ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মইনা পৰীয়া নামঘৰ অতিথিশালা উদ্বোধন কৰিব। আনহাতে ড০ শৰ্মাই ১৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া বৰভেটি প্ৰাংগণৰ সংহত উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০০

চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰ কেন্দ্ৰ স্থাপনৰ জৰিয়তে ৰাজ্যখনত মহাকাশ বিজ্ঞানৰ চৰ্চা অধিক শক্তিশালী কৰাৰ পৰিকল্পনা লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মিত বিজ্ঞান নগৰীৰ মহানগৰ চৌহদ মুকলি কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। ২০২১ চনৰ ১৮ জানুৱাৰীত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বিজ্ঞান নগৰীৰ আধাৰশিলা স্থাপন কৰিছিল। ২৮৮ কোটি ১৩ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হোৱা বিজ্ঞান নগৰীখন ২৫০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা হৈছে। বৰ্তমান ১০০ বিঘা ভূমিত আন্তঃগাঁথনি নিৰ্মাণ হোৱা নগৰীখনৰ ডেৰশ বিঘা ভূমিত অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ যুটীয়া প্ৰচেষ্টাত নিৰ্মিত এই বিজ্ঞান নগৰী ইউৰেকা আৰু স্পেচ অডিচি শীৰ্ষক দুটা মুখ্য শাখা নিৰ্মাণ কৰা হৈছে আৰু শীঘ্ৰে বিজ্ঞান আৱিষ্কাৰ তথা বিজ্ঞান উদ্যান নামৰ দুটা শাখা সংযোজন কৰা হ'ব। এই অনুষ্ঠানৰ পৰাই মুখ্যমন্ত্ৰীয়ে আমিনগাওঁ, মাজুলী, শিলচৰ আৰু কলিয়াবৰ আৰু বঙাইগাঁওত নিৰ্মাণ কৰা ৫ টা জিলা বিজ্ঞান কেন্দ্ৰ ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে।

০০০০০

**সমাপ্ত**